# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-06-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - - - - - -**

১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এই দিনটোৱে আমাক কংগ্ৰেছে কিদৰে বুনিয়াদী স্বাধীনতা খণ্ডন কৰিছিল আৰু প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সন্মানৰ সংবিধান অমান্য কৰিছিল, সেই কথা সোঁৱৰাই দিয়ে। তেওঁ কয় যে সেই সময়ৰ কংগ্ৰেছ চৰকাৰে সকলো গণতান্ত্ৰিক নীতি বিসৰ্জন দি সমগ্ৰ ৰাষ্ট্ৰক এখন কাৰাগাৰত পৰিণত কৰিছিল। তেওঁ কয় যে জৰুৰীকালীন অৱস্থা বলৱৎ কৰাসকলৰ সংবিধান সন্দৰ্ভত ভাষণ দিয়াৰ কোনো অধিকাৰ নাই। এইসকল লোকেই কেইবাবাৰো ৩৫৬ নম্বৰ অনুচ্ছেদ বলৱৎ কৰাৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰিছিল, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ধ্বংস কৰিছিল আৰু সংবিধানৰ প্ৰতিটো দিশ উলংঘা কৰিছিল বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে এইবুলি অভিযোগ কৰে যে যি মানসিকতাৰ বাবে কংগ্ৰেছ দলে জৰুৰীকালীন অৱস্থা বলৱৎ কৰিছিল, সেই মানসিকতা দলটোৰ মাজত এতিয়াও বিদ্যমান।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত কয় যে আজিৰ দিনটোত আমাৰ গণতন্ত্ৰই স্বাধীনতাৰ পিছত আটাইতৈক ক'লা অধ্যায়ৰ সাক্ষী হৈছিল।এই জৰুৰীকালীন ক'লা অধ্যায়ৰ বিৰুদ্ধে যুঁজ দিয়া মহান ব্যক্তিসকলৰ স্মৃতিত মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ১০খন জিলাৰ ৬৩১ খন গাঁৱৰ এক লাখ ৭০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ১৩ হাজাৰতকৈও অধিক ক্ষতিগ্ৰস্ত লোকক সহায় কৰিবৰ বাবে ১০২টা আশ্ৰয় শিবিৰ আৰু ৩৮টা সাহায্য বিতৰণ কেন্দ্ৰ সক্ৰিয় ৰখা হৈছে। বানত ২১ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে।

০০০০০

অহা ১ জুলাইৰ পৰা দেশত বলৱৎ হ'বলগীয়া নতুন ফৌজদাৰী আইন সন্দৰ্ভত আজি প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমাধ্যমৰ কৰ্মশালা অনুষ্ঠিত হয়। এই অনুষ্ঠানত পি আই বি উত্তৰ-পূৰ্বাঞ্চল মণ্ডলৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰিপাড, অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে শুকুৰবাৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা দলসমূহ নিশ্চিত হৈছে। ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু আফগানিস্তানে ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। আফগানিস্তানে আজি কিংষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন ৰোমাঞ্চকৰ খেলত বাংলাদেশক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ৮ ৰানত পৰাস্ত কৰি চতুৰ্থটো দল হিচাপে ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১১৫ ৰান সংগ্ৰহ কৰে। খেলখনত বৰষুণে বিধি-পথালি দিয়াত বাংলাদেশৰ বাবে ১৯ অ'ভাৰত ১১৪ ৰানৰ সংশোধিত লক্ষ্য নিৰ্ধাৰণ কৰা হয়। প্ৰত্যুত্তৰত বাংলাদেশে ১৭ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। খেলখনত চাৰিটাকৈ উইকেট দখল কৰা আফগানিস্তানৰ নবীন-উল-হকক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত বৃহস্পতিবাৰে গায়ানাত হ'বলগীয়া ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত